**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 04-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কালি ব্ৰিটেইনৰ স্থায়ী উপ-সচিব অলিভাৰ ৰবিনছ্‌ৰ সৈতে বিভিন্ন বিষয়ত আলোচনাত মিলিত হয়।

২। ছিকিমৰ মাংগন জিলাত প্ৰবল বৰষুণৰ পাছত হোৱা ভূমিস্খলনত আৱদ্ধ হৈ পৰা লোকসকলৰ উদ্ধাৰ অভিযান আজি পুৱাৰে পৰা পুনৰ আৰম্ভ হৈছে।

৩। বিজেপিয়ে লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীক অপাৰেচন সিন্দূৰৰ অৱমূল্যায়ন কৰা বুলি অভিযোগ কৰি ইয়াৰ সমালোচনা কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ জম্মু-কাশ্মীৰৰ চেনাব নদীৰ ওপৰত নিৰ্মাণ কৰা বিশ্বৰ সৰ্বোচ্চ ৰে'ল দলং উদ্বোধন কৰিব। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমবাৰৰ বাবে খিতাপ জয় কৰিছে।

ooooo

ব্ৰিটেইন চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰতি ঐক্য আৰু সমৰ্থন প্ৰকাশৰ বাবে ভাৰতে শলাগ লৈছে। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কালি ব্ৰিটেইনৰ স্থায়ী উপ সচিব অলিভাৰ ৰবিন্সৰ সৈতে হোৱা বৈঠকত নতুন দিল্লীয়ে প্ৰশংসা কৰাৰ কথা প্ৰকাশ কৰে। নতুন দিল্লীত অনুষ্ঠিত সপ্তদশ ভাৰত-ব্ৰিটেইনৰ বৈদেশিক কাৰ্যালয়ৰ আলোচনা আৰু প্ৰথম কৌশলগত ৰপ্তানি আৰু প্ৰযুক্তি সহযোগিতা সম্পৰ্কীয় বৈঠকৰ সময়ত বিদেশ সচিবগৰাকীয়ে এই কথা প্ৰকাশ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এক বিবৃতি অনুসৰি ভাৰত আৰু ব্ৰিটেইন কৌশলগত বন্ধু আৰু ভাৰত-ব্ৰিটেইনৰ বৈদেশিক কাৰ্যালয়ৰ আলোচনাই দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ বিষয়টো পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰে। বৈদেশিক সচিব আৰু ব্ৰিটেইনৰ স্থায়ী উপ-সচিবগৰাকীয়ে বাণিজ্য, বিনিয়োগ আৰু বিত্তীয় খণ্ড, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, সন্ত্ৰাসবাদ নিৰ্মূল, প্ৰযুক্তিৰ লগতে অন্যান্য খণ্ডত পৰস্পৰৰ সহযোগিতা শক্তিশালী কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰে।

ooooo

ছিকিমৰ লাচেন আৰু চাতেনত আজি পুৱাৰে পৰা উদ্ধাৰ অভিযান পুনৰ আৰম্ভ হৈছে। কালি বায়ুসেনা বাহিনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ দলে ৰাজ্যখনৰ মাংগন জিলাত প্ৰবল বৰষুণৰ পাছত হোৱা ভূমিস্খলনত আৱদ্ধ হৈ পৰা ৩৪ জন লোকক উদ্ধাৰ কৰে। সেনাবাহিনীয়ে লাচেন আৰু চাতেনৰ মাজত এটা পথ নিৰ্মাণ কৰি চাতেন হেলিপেডৰ পৰা উদ্ধাৰ অভিযান আৰম্ভ চলোৱাৰ চেষ্টা কৰে। মাংগনৰ

উপায়ুক্ত অনন্ত জৈনে প্ৰকাশ কৰা মতে লাচেনত এতিয়াও প্ৰায় ১৩০ জন পৰ্যটক আবদ্ধ হৈ আছে। তেওঁলোক বৰ্তমান নিজ নিজ হোটেলত সুৰক্ষিত অৱস্থাত আছে  বুলি উপায়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে লাচেনত মোবাইল যোগাযোগ ব্যাহত হৈছে যদিও এন ডি আৰ এফৰ ছেটেলাইট ফোনৰ জৰিয়তে সংযোগ ৰখা হৈছে।

ছিকিমৰ পৰ্যটন বিভাগে ভূমিস্খলনৰ বাবে লাচেন আৰু লাচুঙলৈ যোৱা পথ সাময়িকভাৱে বন্ধ ৰখা হৈছে বুলি এটা নিৰ্দেশনা জাৰি কৰিছে। অৱশ্যে ৰাজ্যখনৰ অন্যান্য ঠাই সমূহ ভ্ৰমণ কৰাত কোনো অসুবিধা নাই বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। চিকিমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰে পৰিস্থিতিৰ বুজ লোৱাৰ বাবে কালি গেংটক জিলাৰ চিংথাম এলেকা পৰিদৰ্শন কৰে। তেওঁ স্থানীয় ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱাৰ উপৰি প্ৰশাসনক যাৱতীয় সহায়-সহযোগ আগবঢ়াবলৈ নিৰ্দেশ দিয়ে।

ooooo

বিজেপিয়ে লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীক অপাৰেচন সিন্দূৰৰ অৱমূল্যায়ন কৰা বুলি অভিযোগ কৰি ইয়াৰ সমালোচনা কৰিছে। বিজেপিৰ সাংসদ সম্বিত পাত্ৰই এই অভিযোগ কৰি কয়, যে ৰাহুল গান্ধীয়ে অপাৰেচন সিন্দূৰ, সেনাবাহিনী তথা দেশক অপমান কৰিছে। কালি ভূপালত এটা অনুষ্ঠানৰ সময়ত কংগ্ৰেছ সাংসদগৰাকীৰ মন্তব্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীপাত্ৰই কয়, যে কোনো সভ্য ৰাজনীতিক, বিৰোধী পক্ষৰ নেতা অথবা ৰাজনৈতিক নেতাৰ ক্ষেত্ৰত এনে মন্তব্যই শোভা নাপায়। তেওঁ কয়, যে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধ হিচাপে ভাৰতে পাৰমাণৱিক শক্তিসম্পন্ন এখন দেশত প্ৰৱেশ কৰি নটাকৈ সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰাৰ লগতে শতাধিক সন্ত্ৰাসবাদী নিৰ্মূল কৰে। এই সংঘৰ্ষত পাকিস্তানৰ ১১টা বিমানঘাটি ধ্বংস হয় আৰু এই সকলোবোৰৰ প্ৰমাণ সহকাৰে তথ্য আছে। শ্ৰীপাত্ৰই লগতে ভাৰতে কেতিয়াও সন্ত্ৰাসবাদৰ সন্মুখত আত্মসমৰ্পণ কৰা নাই বুলি উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ বৰষুণৰ পানী ধৰা কাৰ্যসূচীৰ অধীনত আৰম্ভ কৰা **জল সঞ্চয় জন ভাগিদাৰী** অভিযানৰ উত্তৰ-পূৰ্বাঞ্চল আৰু পাৰ্বত্য জিলা শাখাত জম্মু-কাশ্মীৰৰ ৰাজৌৰি জিলাই দ্বিতীয় স্থান লাভ কৰিছে। বৰষুণৰ পানী ধৰা কাৰ্যসূচীৰ অধীনত আদৰ্শ জিলা তথা সমুদায় ভিত্তিত জল সংৰক্ষণৰ ক্ষেত্ৰত দেশৰ আগশাৰীৰ জিলাসমূহৰ ভিতৰত ৰাজৌৰীয়ে স্থান লাভ কৰিছে। এই সন্দৰ্ভত কালি অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যালোচনা বৈঠকত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে ৰাজৌৰি জিলাৰ প্ৰশংসা কৰে আৰু বহু প্ৰত্যাহ্বানৰ মাজত এই অভিযানৰ লক্ষ্য প্ৰাপ্তিৰ দিশত কাম কৰাৰ বাবে জিলা প্ৰশাসনৰ শলাগ লয়।

ooooo

উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ বান পৰিস্থিতি এতিয়াও জটিল হৈ আছে। অসমত সাম্প্ৰতিক বানত ২১ খন জিলাৰ ৫ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৬৫ টা আশ্ৰয় শিবিৰত ৩১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ১৫৭টা সাহায্য সামগ্ৰী বিতৰণ কেন্দ্ৰত ক্ষতিগ্ৰস্ত লোকসকলৰ মাজত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হৈছে। ৰাজ্যখনত সাম্প্ৰতিক বানত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে।

মিজোৰামত কালিও প্ৰতিকুল পৰিস্থিতিৰ বাবে শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখা হয়। ৰাজ্যখনৰ ২১১ টা স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। মেঘালয়ৰ বিভিন্ন স্থানতো বান আৰু ভূমিস্খলনৰ ফলত সমস্যাৰ সৃষ্টি হৈছে। নাগালেণ্ড আৰু মণিপুৰত হোৱা প্ৰবল বৰষুণৰ ফলত ৰাজ্য দুখনক সংযোগ কৰা ২ নম্বৰ ৰাষ্ট্ৰীয়

ঘাইপথৰ এছোৱা ছিগি যোৱাৰ ফলত সেই পথেৰে যান-বাহনৰ চলাচল ব্যাহত হৈছে। এই পথছোৱাৰ দুয়োকাষে মালবাহী ট্ৰাককে ধৰি ভালেসংখ্যক যান-বাহন কেইবাদিনো ধৰি আবদ্ধ হৈ আছে। মণিপুৰৰ পূব ইম্ফল, সেনাপতি আৰু পশ্চিম ইম্ফল জিলা বানত অধিক ক্ষতিগ্ৰস্ত হৈছে। ত্ৰিপুৰাত বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও বিভিন্ন স্থান প্লাৱিত হৈ থকাৰ বাবে ৬৬ টা আশ্ৰয় শিবিৰত ১০ হাজাৰ ৮০০ ৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ পশ্চিম ত্ৰিপুৰা আৰু গোমতি জিলাৰ বিভিন্ন অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে। নাগালেণ্ডৰ ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ৰাজ্যখনত ধাৰাসাৰ বৰষুণ আৰু বান পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকা প্ৰকাশ কৰি সতৰ্কতা জাৰি কৰিছে।

ভাৰতীয় বতৰ বিজ্ঞান  বিভাগে বৰষুণৰ আশংকা কৰি উত্তৰ পূৰ্বাঞ্চলৰ বাবে অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী ড০ আৰ কে জেনামুনিয়ে পৰৱৰ্তী দুদিনত অঞ্চলটোত ধাৰাষাৰ বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ জম্মু-কাশ্মীৰত চেনাব দলং উদ্বোধন কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ সিঙে কয়, যে বিশ্বৰ সৰ্বোচ্চ এই ৰে'ল দলং নৱ ভাৰতৰ শক্তি আৰু দৰ্শনৰ প্ৰতীক হিচাপে থিয় দিছে। তেওঁ লগতে কয়, যে উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল যোগাযোগ প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ কৰা চেনাব ৰে'ল দলংখন অতি প্ৰতিকূল প্ৰাকৃতিক প্ৰত্যাহ্বানৰ মাজতো অটল হৈ থাকিব পৰাকৈ অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰি উলিওৱা হৈছে।

00000

আজিৰে পৰা পাঁচদিনীয়া হজ যাত্ৰা আৰম্ভ হৈছে। ভাৰতকে ধৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ মুছলমান সম্প্ৰদায়ৰ লোকে  আজি পবিত্ৰ চহৰ মক্কাৰ পৰা ছৌদি আৰৱৰ মিনা চহৰলৈ যাত্ৰা কৰিছে। মিনাত তেওঁলোকে ৰাতিটো কটাব আৰু কাইলৈ পুৱাই হজৰ প্ৰাৰ্থনাৰ বাবে আৰাফৎ সমতল ভূমিলৈ যাব।

00000

অন্ধ্ৰ প্ৰদেশ চৰকাৰৰ উদ্যোগত চলি থকা যোগ-অন্ধ্ৰ ২০২৫ অভিযানৰ অংশ হিচাপে কালি শ্ৰীকাকুলাম জিলাত যোগ অধিবেশন অনুষ্ঠিত কৰা হয়। যোগক দৈনন্দিন স্বাস্থ্য অনুশীলন হিচাপে প্ৰচাৰ কৰাই এই অনুষ্ঠানৰ মুল লক্ষ্য । বিশেষকৈ যিবোৰ সম্প্ৰদায়ৰ জীৱিকা শাৰীৰিক পৰিশ্ৰম আৰু মানসিক শক্তিৰ ওপৰত নিৰ্ভৰশীল, তেঁওলোকৰ মাজত যোগাসনৰ আৱশ্যকতা সম্পৰ্কীয় সজাগতা বৃদ্ধিৰ লক্ষ্যৰে যোগঅন্ধ্ৰ অনুষ্ঠিত কৰা হৈছে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, মহিলা গোট, আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই সজাগতা আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যখনৰ কমেও দুই কোটি লোকৰ কাষ চাপিবলৈ চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰি লৈছে। শ্ৰীকাকুলামত অনুষ্ঠিত হোৱা এই অনুষ্ঠানে যোগাসনক সকলো নাগৰিকৰ বাবে সুলভ আৰু প্ৰাসংগিক কৰি তোলাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে।

00000

থাইলেণ্ডৰ পাথুম থানিৰ থাম্মাছাট ষ্টেডিয়ামত আজি সন্ধিয়া ভাৰত আৰু থাইলেণ্ডৰ মাজত এখন ফিফা আন্তঃৰাষ্ট্ৰীয় বন্ধুত্বপূৰ্ণ খেল অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৬ বজাত আৰম্ভ

হ'ব। সম্প্ৰতি ১২৭ সংখ্যক স্থানত থকা ভাৰতে এ এফ চি এছিয়ান কাপ ছৌদি আৰৱীয়া ২০২৭ৰ কোৱালিফায়াৰৰ ফাইনেল ৰাউণ্ডৰ বাবে প্ৰস্তুতি হিচাপে আজিৰ খেলখন গুৰুত্ব সহকাৰে লৈছে।

ইপিনে কালি বেংগালুৰুত অনুষ্ঠিত ভাৰত আৰু উজবেকিস্তানৰ মাজৰ অন্তিমখন ফিফা মহিলাৰ আন্তঃৰাষ্ট্ৰীয় বন্ধুত্বপূৰ্ণ খেলত ভাৰতীয় দলটো ০-১ৰ ব্যৱধানত পৰাস্ত হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে প্ৰথমবাৰৰ বাবে খিতাপ জয় কৰিছে। যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত বেংগালুৰুৱে পাঞ্জাব কিংছক ৬ ৰানত পৰাস্ত কৰে। প্ৰথমবাৰৰ বাবে আই পি এলৰ খিতাপ জয় কৰি ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৰ অধিনায়ক ৰজত পাটিদাৰে কয়, যে বিৰাট কোহলী আৰু হাজাৰ হাজাৰ অনুৰাগী এই জয়লাভৰ প্ৰাপ্য আছিল। তেওঁ লগতে প্ৰতিগৰাকী খেলুৱৈকে সমৰ্থন কৰা দলৰ প্ৰশিক্ষক তথা অন্যান্য সহযোগীসকলক ধন্যবাদ জ্ঞাপন কৰে।

ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯০ ৰান সংগ্ৰহ কৰে। বিৰাটো কোহলীয়ে সৰ্বাধিক ৪৩ ৰান কৰাৰ লগতে পাটিদাৰে ২৬ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাবৰ হৈ অৰ্শ্বদীপ সিং আৰু কাইল জেমিছনে তিনিটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে নিৰ্ধাৰিত ২০ অভাৰত ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। শশাংক সিঙে ৬১ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ হৈ ক্ৰুনাল পাণ্ডিয়াই ৪ অভাৰত মাত্ৰ ১৭ ৰান দিয়াৰ লগতে দুটাকৈ গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। পাণ্ডিয়াক তেওঁৰ সুন্দৰ বলিঙৰ বাবে প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

গুজৰাট টাইটানছৰ ছাই সুদৰ্শনে এই বছৰৰ আই পি এল প্ৰতিযোগিতাত সৰ্বাধিক ৰান কৰাৰ বাবে **অৰেঞ্জ কেপ** লাভ কৰে। আনহাতে একেটা দলৰে প্ৰসিদ্ধ কৃষ্ণাই সৰ্বাধিক উইকেট দখল কৰাৰ বাবে **পাৰ্পল কেপ** অৰ্জন কৰে। মুম্বাই ইণ্ডিয়ানছৰ সূৰ্য কুমাৰ যাদৱলৈ সমগ্ৰ টুৰ্ণামেণ্টখনত অনবদ্য বেটিং কৰাৰ বাবে **মষ্ট ভেলুৱেবল প্লেয়াৰ**ৰ বঁটা আগবঢ়োৱা হয়।

০০০০০

নৰৱে দবা প্ৰতিযোগীতা ২০২৫ত যোৱা নিশা ভাৰতীয় অৰ্জুন এৰিগাইচিয়ে আমেৰিকাৰ গ্ৰেণ্ডমাষ্টাৰ ফেবিয়ানো কাৰুৱানাক অষ্টম ৰাউণ্ডত পৰাস্ত কৰে। আনহাতে, অষ্টম ৰাউণ্ডত আমেৰিকাৰ গ্ৰেণ্ডমাষ্টাৰ হিকাৰু নাকামুৰাই বিশ্ব চেম্পিয়ন ডি গুকেশক পৰাস্ত কৰে। আকৰ্ষণীয় খেলখনত হিকাৰু নাকামুৰাই তৃতীয় ৰাউণ্ডৰ পৰাজয়ৰ প্ৰতিশোধ ল'বলৈ সক্ষম হয়। ইফালে বিশ্বৰ ১ নম্বৰ স্থানৰ খেলুৱৈ মেগনাছ কাৰ্লচেনেও চীনৰ গ্ৰেণ্ডমাষ্টাৰ ৱেই য়িৰ বিৰুদ্ধে খেলি পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয়। মহিলাৰ শাখাত ভাৰতীয় গ্ৰেডমাষ্টাৰ বৈশালি ৰমেশবাবুৱে প্ৰথমবাৰৰ বাবে বৰ্তমানৰ বিশ্ব চেম্পিয়ন তথা চীনৰ গ্ৰেণ্ডমাষ্টাৰ জু ৱেঞ্জুনক পৰাজিত কৰে।

০০০০০

সমাপ্ত